৬) আধুনিক পদ্ধতিত কৃষিকাৰ্য সম্পাদন, মজুতকৰণ ইত্যাদিৰ বিষয়ে
যাবতীয় প্ৰশিক্ষণ দিব লাগিব ।

৭) বিভাজিত ভূমি একত্ৰিতকৰণ আইনখন অধিক কাৰ্যকৰী কৰি তোলাৰ লগতে এই উদ্দেশ্য আগত ৰাখি সমবায় কৃষি পাম ব্যৱস্থা অধিক কাৰ্যকৰী কৰি তুলিব লাগিব ।

৮) খেতিয়কৰ ৰক্ষণশীল মনোভাব নাইকিয়া কৰিবলৈ প্ৰদৰ্শনীমূলক কৃষি পাম সমূহ অধিক আকৰ্ষণীয় আৰু কাৰ্যক্ষম কৰি তুলিব লাগিব ইত্যাদি ।

## ভাৰতীয় অৰ্থনীতিত কৃষিখণ্ডৰ গুৰুত্ব আৰু অৱস্থান ঃ

ভাৰতীয় অৰ্থনীতিত কৃষিখণ্ডই বিভিন্ন দিশৰ পৰা গুৰুত্ব লাভ কৰিছে। সেয়া হ'ল —

১। **জাতীয় আয়লৈ বৰঙণি ঃ** কেন্দ্ৰীয় পৰিসংখ্যা সংস্থাৰ গণনা অনুসৰি ১৯৫০-৫১ চনত ভাৰতৰ জাতীয় আয়লৈ কৃষিখণ্ডৰ বৰঙণি আছিল ৫৬.৫ শতাংশ। ১৯৯০-৯১ চনত ই ৩৪ শতাংশলৈ কমে। ২০১১-১২ চনত এই বৰঙণি হয়গৈ ১৩.৯ শতাংশ। ইয়াৰ পৰা দেখা গৈছে যে ভাৰতৰ জাতীয় আয়ত কৃষিখণ্ডৰ আপেক্ষিক বৰঙণি একেৰাহে কমিছে। সেয়ে হ'লেও দেশখনৰ অৰ্থনীতিত কৃষিখণ্ডই এতিয়াও গুৰুত্বপূৰ্ণ স্থান দখল কৰি আছে।

২। **নিয়োগ সুবিধা প্ৰদান ঃ** ভাৰতৰ কৃষিখণ্ডই এক বৃহৎ সংখ্যক লোকক নিয়োগৰ সুবিধা প্ৰদান কৰি

আহিছে। লোক পিয়লৰ তথ্য অনুসৰি ১৯৫০-৫১ চনত ৭০ শতাংশ লোক কৃষিখণ্ডৰ ওপৰত নিৰ্ভৰশীল আছিল। ২০০১ চনলৈ ই মাথোঁ ৫৯ শতাংশলৈ কমে। ইয়াৰ পৰা দেখা যায় যে ভাৰতত আত্মনিযুক্তি লাভ কৰাৰ ক্ষেত্ৰত কৃষিখণ্ডই এতিয়াও প্ৰধান ভূমিকা গ্ৰহণ কৰি আছে। ২০০৪-০৫ চনৰ তথ্য অনুসৰি ভাৰতৰ মুঠ শ্ৰম শক্তিৰ ৫৬ শতাংশৰ আশ্ৰয়স্থল হ'ল কৃষিখণ্ড।

৩। **উদ্যোগ খণ্ডৰ বিকাশলৈ বৰঙণি ঃ** ভাৰতৰ বহুউদ্যোগ কৃষিখণ্ডই যোগান ধৰা কেঁচামালৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছে। ইয়াৰ ভিতৰত অন্যতম হ'ল — বস্ত্ৰ, মৰাপাট, চেনী, আটা, বনস্পতি, বাগিচা শিল্প ইত্যাদি। ইয়াৰ উপৰি ভাৰতৰ ভালেবোৰ উদ্যোগ কৃষিখণ্ডৰ ওপৰত পৰোক্ষভাৱে নিৰ্ভৰশীল। ইয়াৰ ভিতৰত অন্যতম হ'ল কৃষিখণ্ডক প্ৰয়োজন হোৱা সা-সঁজুলি ৰাসায়নিক সাৰ ইত্যাদি। ভাৰতৰ বহুবোৰ ক্ষুদ্ৰ আৰু কুটীৰ উদ্যোগ কৃষিখণ্ডৰ ওপৰত নিৰ্ভৰশীল। বিশেষকৈ বয়ন শিল্প, তেল ঘানি, ধান কল, গুৰ উৎপাদন ইত্যাদিৰ কথা ক'ব পাৰি। শেহতীয়াকৈ দেশখনত খাদ্যপ্ৰকৰণ উদ্যোগৰ বিকাশ ঘটিছে। এই উদ্যোগবোৰ মূলতঃ কৃষিখণ্ডৰ কেঁচামালৰ ওপৰত নিৰ্ভৰশীল। অদূৰ ভৱিষ্যতে দেশখনৰ ইন্ধনৰ নাটনি জোৰা মাৰিবলৈ কৃষিখণ্ডই যোগান ধৰা কেঁচামালৰ ওপৰত ভিত্তি কৰি ইন্ধন উৎপাদন কৰাৰ প্ৰয়োজনো আদি পৰিছে।

৪। **ৰপ্তানি বৃদ্ধিত বৰঙণি ঃ** ভাৰতৰ পৰা ৰপ্তানি কৰা দ্ৰব্যৰ ভিতৰত কৃষিজাত দ্ৰব্যই প্ৰধান স্থান দখল কৰিছে। ইয়াৰ ভিতৰত অন্যতম হ'ল চাহ, চেনী, কপাহী বস্ত্ৰ, তৈলবীজ, ধপাত, মচলাজাতীয় সামগ্ৰী ইত্যাদি। ভাৰতৰ মুঠ ৰপ্তানিৰ ৫০ শতাংশ কৃষিজাত দ্ৰব্য। আনহাতে কৃষিজাত দ্ৰব্যৰ ভিত্তিত গঢ়ি উঠা উদ্যোগৰ দ্বাৰা উৎপাদিত দ্ৰব্যই ৰপ্তানিৰ ২০ শতাংশ দখল কৰিছিল। এয়া হ'ল ১৯৫০-৫১ চনৰ কথা। পৰৱৰ্তী সময়ছোৱাত ভাৰতৰ পৰা কৰা ৰপ্তানিত কৃষিজাত দ্ৰব্যৰ আপেক্ষিক অৱস্থান ক্ৰমশঃ হ্ৰাস পাইছে। ১৯৯০-৯১ চনত ই আছিল ২০.৩ শতাংশ আৰু ২০১০-১১ চনত ই হ'লগৈ ৯.৯ শতাংশ।

৫। **খাদ্য সামগ্ৰীৰ যোগান ঃ** দেশখনৰ জনসংখ্যা বৃদ্ধিৰ বিপৰীতে কৃষিখণ্ডই খাদ্যশস্যৰ যোগান ধৰি আহিছে। ১৯৫০-৫১ চনত কৃষিখণ্ডই উৎপাদন কৰা খাদ্যশস্যৰ পৰিমাণ আছিল ৫১ নিযুত টন। ২০০৫-০৬ চনত ই ২০৮.৩ নিযুত টনলৈ বৃদ্ধি পায়। ই দেশখনৰ খাদ্যশস্যৰ নাটনি দূৰ কৰাই নহয়, অভাৱ অনাটনৰ সময়ত জোৰা মাৰিব পৰাকৈ বৃহৎ আকাৰত খাদ্য শস্য মজুত কৰি থোৱাটোও সম্ভৱ কৰি তুলিছে।

৬। **চৰকাৰী ৰাজহৰ বৃদ্ধি ঃ** কৃষিখণ্ডৰ ওপৰত আৰোপ কৰা বাবে চৰকাৰী ৰাজহ বৃদ্ধি হোৱাত সহায় কৰিছে। ভূমি ৰাজহ, কৃষি আয়কৰ, কৃষিজাত দ্ৰব্যৰ ৰপ্তানিৰ ওপৰত আৰোপ কৰা কৰ, জলসিঞ্চনৰ ওপৰত আৰোপ কৰা মাচুল, কৃষকক প্ৰয়োজন হোৱা দ্ৰব্যৰ আমদানিৰ ওপৰত আৰোপ কৰা কৰ ইত্যাদিৰ জৰিয়তে চৰকাৰে ৰাজহ সংগ্ৰহ কৰে।

৭। **বাণিজ্যৰ বিকাশ ঃ** কৃষিজাত দ্ৰব্য, ইয়াৰ বীজ আৰু অন্যান্য উৎপাদন সামগ্ৰীৰ ভিত্তিত দেশখনৰ

বাহিৰে ভিতৰে এক বৃহৎ পৰিসৰত ব্যৱসায় বাণিজ্য গঢ় লৈ উঠিছে। ইও এহাতে নিয়োগ সুবিধা বৃদ্ধি কৰি দেশখনৰ উন্নয়নত সহায় কৰি আহিছে। //

## বিশ্বৰ প্ৰেক্ষাপটত ভাৰতৰ কৃষিখণ্ডৰ অৱস্থান
## *(Position of Indian agriculture in World Economy)*

খাদ্য আৰু কৃষি সংস্থাৰ তথ্য অনুসৰি চনত ভাৰতে প্ৰথম স্থান লাভ কৰা কৃষি আৰু ইয়াৰ আনুষংগিক ব্য হ'ল — সতেজ ফল, নেমুজাতীয় ফল, ম'হৰ গাখীৰ, তৈলবীজ, বেলিফুল তেল, Sorghum, illet মচলা, মৰাপাট, মৌ, কল, আম, মাহ, ম'হৰ খাং, আদা, তামোল, কুকুৰা, পাৰ, অমিতা, কল, লকীয়া, ছাগলী মাংস ইত্যাদি।

২০০৯ চনত দ্বিতীয় স্থান লাভ কৰা এনে দ্ৰব্য হ'ল ঘেঁহু, ধান, সতেজ পাচলি, কুঁহিয়াৰ, বাদাম, হী, নহৰু, ফুলকবি, মটৰ মাহ, তিল, কাজু, পাট সুতা, গৰুৰ গাখীৰ, চাহ, আলু, পিঁয়াজ, কপাহ চি, কবি ইত্যাদি।

২০০৯ চনত তৃতীয় স্থান লাভ কৰা এনে দ্ৰব্য হ'ল — কণী, কমলা টেঙা, নাৰিকল, বিলাহী, মাহ ইত্যাদি। *(উৎস ঃ FAOSTAT, 2010 Data, Faostat.fao.org.retrived 2011.09.17)*

পশুপালন আৰু হাঁহ-কুকুৰাৰ মাংস উৎপাদনত সৰ্বোচ্চ স্থান লাভ কৰা বিশ্বৰ পাঁচখন দেশৰ ত ভাৰতো আছে। এনে দ্ৰব্যৰ উৎপাদন বৃদ্ধিৰ হাৰ ভাৰতৰে সৰ্বাধিক। *(উৎস ঃ "Live stock oultry : World Market and Trade" United States Department of Agriculture,*

একাংশ চিন্তাবিদৰ মতে ভাৰতত দান আৰু ঘেঁহুৰ উৎপাদন বৃদ্ধি কৰিব পৰা সামৰ্থতকৈ জনসংখ্যা দ্ধি পাইছে। *(উৎস ঃ "The Foodchain in Fertile India, Growth Outstrips ture", Sengupta, Somini, 2008 New York Times, Retrived 23 April, 2010)*। তীয়াকৈ চলোৱা অধ্যয়নৰ পৰা দেখা গৈছে যে ভাৰতে ইয়াৰ কৃষিজাত উৎপাদনৰ জৰিয়তে সংখ্যাক সহজে ভৰণ-পোষণ দিবলৈ সমৰ্থ হ'ব আৰু আনকি একাংশ ৰাহি কৰি ধান আৰু ঘেঁহু প্তানি কৰিব পাৰিব। যদিহে দেশকনে খাদ্য শস্যৰ অহিষ্টৰ আৰু অপচয়ৰ মাত্ৰা কমাব পাৰে বুনিয়াদী সুবিধাৰ মাত্ৰা বৃদ্ধি কৰিব পাৰে আৰু যদি এই ...

| | | | |
|---|---|---|---|
| চাহ | 1182 | 1652 | 1669 |
| কপাহ | 106 | 225 | 510 |

উৎস ঃ *Handbook of Statistics on Indian Economy, Reserve Bank of India, 2011*

ইয়াৰ পৰা দেখা গৈছে যে বিগত ৪০ টা বছৰত বুনিয়াদী সুবিধা বৃদ্ধি, স্থানৰ বিকাশ, ভূমি সংস্কাৰ আৰু কাৰিকৰী উন্নতিৰ বাবে ভাৰতত শস্য বিশেষে উৎপাদনশীলতা ৪০ শতাংশৰ পৰা ৫০০ শতাংশৰ ভিতৰত বৃদ্ধি পাইছে। (উৎস ঃ Hand book of Statistics on Indian Economy, Reserve Bank of India, 2011)। ভাৰতে শস্য উৎপাদনৰ ক্ষেত্ৰত এই পৰ্যন্ত যি সফলতা লাভ কৰিছে সেয়া প্ৰশংসনীয় হ'লেও আন উন্নত আৰু উন্নয়নশীল দেশৰ শস্য বিশেষে সৰ্বোচ্চ উৎপাদনৰ তুলনাত এয়া ৩০ শতাংশৰ পৰা ৬০ শতাংশৰ ভিতৰত কম। গতিকে ক'ব পাৰি যে ভাৰতে কৃষিখণ্ডৰ উৎপাদনশীলতাত এতিয়াও কাম্য অৱস্থা লাভ কৰা নাই।

## কৃষি উৎপাদনত প্ৰতিৰোধক *(Barriers to Agricultural growth)*

World Bank এ 2008 চনত প্ৰকাশ কৰা "Country overview" ত প্ৰকাশ পোৱা ব্যাখ্যা অনুসৰি ভাৰতৰ কৃষিখণ্ডৰ নিম্ন বিকাশ নীতি। নিৰ্ধাৰকসকলৰ বাবে এক গুৰুত্ব দিবলগীয়া বিষয়, কাৰণ দেশখনৰ দুই তৃতীয়াংশ লোকে জীৱিকাৰ বাবে কৃষিখণ্ডৰ ওপৰতে নিৰ্ভৰ কৰে। কিন্তু ভাৰতৰ প্ৰচলিত কৃষি ব্যৱস্থা অৰ্থনৈতিক আৰু পৰিৱেশীয় গুণাগুণ উভয় দিশৰ পৰাই বহনক্ষম নহয়। বহু শস্যৰ উৎপাদনশীলতা একেবাৰে নিম্ন মানৰ। ইয়াৰ বাবে ঘাইকৈ জগৰীয়া নিম্ন গুণাগুণৰ জলসিঞ্চন ব্যৱস্থা

আৰু সাৰ্বজনীনভাৱে সম্প্ৰসাৰিত সেৱাৰ (Extension Service) অভাৱ। ৰাস্তা-ঘাটৰ অসুবিধা, বজাৰৰ জৰাজীৰ্ণ অৱস্থা আৰু মাত্ৰাধিক প্ৰশাসনিক নিয়ন্ত্ৰণৰ বাবে কৃষকে বজাৰত প্ৰৱেশ কৰাৰ পৰিৱৰ্তে মধ্যভোগীৰ হাতত সমাৰ্পন কৰিবলগীয়া হয়।

World Bank ৰ 2011 চনৰ "India country overview" ত আকৌ কোৱা হৈছে যে ১.২ বিলিয়ন জনসংখ্যাৰে ভাৰত বিশ্বৰ বৃহত্তম গণতান্ত্ৰিক দেশ। বিগত দশকটোত ভাৰতে দ্ৰুত হাৰত বিকাশ লাভ কৰিছে, ক্ৰয় শক্তি সমতা সূচক অনুসৰি ভাৰতে বিশ্বৰ চতুৰ্থ বৃহৎ অৰ্থনীতিত উপনীত হ'বলৈ সমৰ্থ হৈছে আৰু ২০১৫ চনৰ ভিতৰত সাধন কৰিবলগীয়া শতিকা জোৰা উন্নয়ন লক্ষ্য (Millenium Development Goal) ৰ প্ৰয়োবোৰ পূৰ্ণ হোৱাৰ পথত। ভাৰতে উদাৰীকৰণৰ জৰিয়তে বিশ্ব অৰ্থনীতিত চামিল হ'বলৈ গৈ লক্ষণীয় ভাবে অৰ্থনৈতিক বৃদ্ধি কৰিবলৈ সক্ষম হোৱাই নহয়, অৰ্থনৈতিক আৰু সামাজিক দিশত বহুবোৰ লাভালাভ আনিবলৈকো সমৰ্থ হৈছে। তৎসত্বেও আয় আৰু মানৱ উন্নয়নৰ বিকাশত থকা বৈষম্যও বৃদ্ধি পাইছে। ২০০৪-০৫ চনত থকা ৩৭ শতাংশ দৰিদ্ৰতা ২০০৯-১০ চনত ৩২ শতাংশলৈহে হ্ৰাস হৈছে। অৰ্থনৈতিক বৃদ্ধিৰ সুফলসমূহ দৰিদ্ৰসকললৈ প্ৰসাৰিত কৰিবলৈ হ'লে কৃষিখণ্ড অধিক উৎপাদনশীল কৰিব লাগিব, শস্য ভিন্নতা বৃদ্ধি কৰিব লাগিব, ইয়াক অধিক প্ৰতিযোগী কৰি তুলিব লাগিব আৰু গ্ৰাম্য অনাকৃষি উদ্যোক্তা সকলৰ সুবিধাৰ বাবে আৰু নিয়োগৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। কৃষিজাত দ্ৰব্যৰ বিপণনত প্ৰতিযোগিতা বৃদ্ধি কৰিব পাৰিলে কৃষকে উৎপাদিত শস্যৰ ওপৰত উচিত মূল্য লাভ কৰিব।

ৰাষ্ট্ৰসংঘৰ অধীন খাদ্য আৰু কৃষি সংস্থাৰ অধ্যয়ন অনুসৰি ভাৰতত ১৯৭০ চনৰ পৰা ২০০০ চনলৈ প্ৰধান শস্য বিলাকৰ বাৰ্ষিক বৃদ্ধিৰ হাৰ গড়ে ২.৫ শতাংশৰ আশে পাশে। কৃষি উৎপাদন সূচক অনুসৰি এয়া ১.৫ শতাংশ। কৃষিখণ্ডত দেশখনৰ ৬৬ শতাংশ লোক জড়িত হৈ থাকে, মুঠ শ্ৰম শক্তিৰ ৫৬ শতাংশ নিয়োগ হয় কৃষি খণ্ডত, বৰঞ্চ দেশখনৰ জাতীয় আয়লৈ কৃষিখণ্ডই বৰঙণি যোগায় মাথো ১৬ শতাংশ। অৰ্থাৎ দেশখনৰ ৬৬ শতাংশ মানুহে জাতীয় আয়ৰ ১৬ শতাংশ আৰু বাকী দুটা খণ্ডত নিয়োজিত থকা ৩৪ শতাংশ লোকে জাতীয় আয়ৰ ৪৪ শতাংশ বৰঙণি যোগায়। কৃষি নিৰ্ভৰশীল ভাৰতত এয়া নিশ্চয়কৈ আশাপ্ৰদ নহয়। ইয়াৰ প্ৰধান কাৰণ হ'ল ভাৰতত কৃষিখণ্ডৰ নিম্ন উৎপাদনশীলতা। ভাৰতে কৃষিখণ্ডত বিভিন্ন ধৰণে প্ৰতিবন্ধকতাৰ সন্মুখীন হ'বলগীয়া হৈছে। ভাৰতত কৃষিজাত দ্ৰব্য উৎপাদনৰ এক ক্ৰমবৰ্দ্ধমান ধাৰা থকা সত্বেও কৃষি উৎপাদিকা শক্তি নিম্ন হৈ থকাটো পৰিলক্ষিত হয় । কাৰণ মুঠ শ্ৰমিকৰ দুই তৃতীয়াংশ লগ লাগি কৃষিকাৰ্যৰ জৰিয়তে মুঠ আয়ৰ এক তৃতীয়াংশ উপাৰ্জন কৰিবলৈকো সমৰ্থ নহয় । আনহাতে UK আৰু USA ৰ মুঠ শ্ৰমিকৰ দুইৰ পৰা তিনি শতাংশ কৃষিখণ্ডত লিপ্ত হৈ জাতীয় আয়লৈ দুইৰ পৰা তিনি শতাংশ বৰঙণি যোগায়। হেক্টৰ প্ৰতি উৎপাদনৰ আকাৰো উন্নত দেশৰ তুলনাত ভাৰতত যথেষ্ট কম। ভাৰতত কৃষি উৎপাদিকা শক্তি নিম্ন হোৱাৰ কাৰণবোৰ নিম্নোল্লিখিত ধৰণে জুকিয়াব পাৰি ।

১) **কৃষিকাৰ্যত জনসংখ্যাৰ বৰ্দ্ধিত হেঁচা :** ১৯০১ চনৰ পৰা আজি পৰ্যন্ত কৃষি নিৰ্ভৰশীল লোকৰ সংখ্যা ৭০ৰ পৰা ৫০ শতাংশৰ ভিতৰত স্থায়ী ৰূপত আৱদ্ধ আছে । আনহাতে যি হাৰত জনসংখ্যা



Scanned with CamScanner

বাঢ়িছে তাতকৈ বহু কম হাৰত কৃষিভূমিৰ সম্প্ৰসাৰণ হৈছে। স্বাধীনোত্তৰ কালছোৱাত ভাৰতত কৃষিভূমিৰ সম্প্ৰসাৰণ হৈছে বাৰ্ষিক এক শতাংশকৈ, কিন্তু বাৰ্ষিক জনসংখ্যা বৃদ্ধিৰ হাৰ দুই শতাংশৰো অধিক। তেনে অৱস্থাত মুঠ জনসংখ্যাৰ ৭০ৰ পৰা ৫০ শতাংশ কৃষিৰ ওপৰত নিৰ্ভৰ কৰাটোৱে কৃষিখণ্ডত জনসংখ্যাৰ বৰ্দ্ধিত হেঁচাকে প্ৰতিপন্ন কৰে। কৃষিকাৰ্যত শ্ৰমৰ নিয়োগ বৃদ্ধিয়ে স্বাভাৱিকতে প্ৰান্তীয় উৎপাদিকা শক্তি নিম্ন হোৱাত সহায় কৰিছে।

২) **কৃষকৰ নিম্ন গুণগত অৱস্থা ঃ** ভাৰতীয় কৃষকৰ গৰিষ্ঠ অংশৰ গুণগত মান উন্নত নহয়। অধিকাংশ কৃষক দুখীয়া, নিৰক্ষৰ, অনভিজ্ঞ, অন্ধবিশ্বাসী, ৰক্ষণশীল আৰু প্ৰচলিত ৰীতি-নীতিৰ অন্ধ অনুগত হয়। দৰিদ্ৰতাত ভোগা বাবেই কৃষকে প্ৰয়োজনীয় সম্বল গোটাই উন্নত পৰ্যায়ত কৃষিকাৰ্য সম্পন্ন কৰিবলৈ সমৰ্থ নহয়। তদুপৰি বাকীবোৰ নেতিবাচক বৈশিষ্ট্যৰ বাবে আধুনিক কলা-কৌশল প্ৰয়োগ কৰি কৃষি উৎপাদিকা শক্তি বৃদ্ধি কৰিবলৈ কৃষক আগ্ৰহী নহয়।

৩) **প্ৰতিকূল অনানুষ্ঠানিক কাৰকৰ উপস্থিতিঃ** মুষ্টিমেয় কৃষকৰ বাদে গাঁও অঞ্চলৰ অধিকাংশ কৃষকে নিম্ন সুদৰ হাৰত ৰাষ্ট্ৰীয়কৃত বেংক বা সমবায় প্ৰতিষ্ঠানৰ পৰা ঋণৰ সুবিধা লাভ কৰিব নোৱাৰে। সেয়েহে উচ্চ সুদৰ হাৰত অনানুষ্ঠানিক উৎসৰ পৰা ঋণ লোৱা বাবে কৃষকে উপাৰ্জনৰ অধিকাংশ নিম্ন দৰত ততাতৈয়াকৈ বিক্ৰি কৰি ঋণ পৰিশোধ কৰিবলগীয়া হোৱা বাবে কৃষকৰ পৰিয়াল বংশানুক্ৰমিকভাৱে দৰিদ্ৰতাত লীন যাবলগীয়া হয়। তদুপৰি মধ্যভোগীৰ উপস্থিতি, সুচল পৰিবহণৰ অভাৱ ইত্যাদিৰ বাবে কৃষকে উৎপাদিত দ্ৰব্যৰ ওপৰত ন্যায্য মূল্য পাবলৈ সমৰ্থ নহয়। তদুপৰি কোনোমতে পটে-ভাতে প্ৰৱৰ্তিৰ পৰা কৃষকে বজাৰত বিক্ৰি কৰিব পৰাকৈ ৰাহি নাথাকে। এনেবোৰ কাৰণতে নিম্ন কৃষি উৎপাদিকা শক্তিয়ে স্থায়ী ৰূপ পৰিগ্ৰহণ কৰিছে।

৪) **কৃষিভূমিৰ আকাৰ সংকোচন ঃ** কৃষিভূমিৰ ওপৰত জনসংখ্যাৰ ক্ৰমবৰ্দ্ধমান হেঁচা আৰু উত্তৰাধিকাৰী সূত্ৰে সম্পত্তি বিভাজন প্ৰক্ৰিয়াৰ উপস্থিতিত কৃষিভূমিৰ আকাৰ পুৰুষাণুক্ৰমে সংকুচিত হ'বলৈ বাধ্য হৈছে। সম্প্ৰতি ভাৰতত কৃষক পৰিয়ালে প্ৰতি কৃষি ভূমিৰ আকাৰ দুই হেক্টৰতকৈ অধিক নহয়। কৃষি ভূমিৰ আকাৰৰ সংকোচনে সময়ৰ অপচয় ঘটায়, সংৰক্ষণৰ খৰছ বঢ়ায়, উৎপাদন ব্যয় বৃদ্ধি কৰে, জলসিঞ্চন তথা যাৱতীয় সুবিধা লাভৰ সক্ষমতা কমায় ইত্যাদি অশুভ পৰিণামৰ সৃষ্টি কৰে। এই অশুভ পৰিণামসমূহৰ প্ৰতিফল হিচাপে কৃষি উৎপাদিকা শক্তি নিম্ন হৈ পৰে।

৫) **অনুৎপাদনক্ষম ভূমি পট্টন ব্যৱস্থা ঃ** কৃষকৰ লগত কৃষিভূমিৰ মালিকীস্বত্ব নিগাজীকৈ থাকিলেহে কৃষিৰ লগত কৃষকৰ সম্পৰ্ক নিবিড় হৈ পৰে। এনে সম্পৰ্কই কৃষকক মোৰ বুলি কাম কৰাৰ এক উৎসৰ্গিত মনোভাৱ প্ৰদান কৰে। ভাৰতত কেবাটাও পৰ্যায়ত ভূমি সংস্কাৰ আঁচনি কাৰ্যকৰী কৰা হ'ল যদিও একাধিক ৰাজ্যত এতিয়াও বিভিন্ন প্ৰক্ৰিয়াৰে প্ৰকৃত কৃষক কৃষিভূমিৰ মালিকীস্বত্বৰ পৰা বিচ্ছিন্ন হৈ থকা বাবে উৎপাদিকা শক্তি বৃদ্ধিৰ উৎসাহী পৰিবেশ নাই। তদুপৰি কৃষকে উচ্চ হাৰত



Scanned with CamScanner

ভূমি কৰ পৰিশোধ কৰাৰ বিপৰীতে চৰকাৰ বা মধ্যভোগী মালিকৰ পৰা কৃষি ভূমি উন্নয়নৰ বাবে বিশেষ সুবিধা লাভ নকৰে। এনেদৰে অনুপ্ৰেৰণা বহিৰ্ভূত ভূমি পট্টন ব্যৱস্থাইও কৃষি উৎপাদিকা শক্তি নিম্ন হৈ থকাত সহায় কৰিছে।

৬) **নিম্ন মানৰ উৎপাদন কৌশলৰ উপস্থিতি ঃ** ভাৰতত অধিকাংশ কৃষকে পৰম্পৰাগত, বিজ্ঞানসম্মত পদ্ধতিৰে কৃষিকাৰ্য সম্পন্ন কৰাত অভ্যস্ত। নিম্ন মানৰ কৌশলৰ লগতে নিম্নমানৰ কঠিয়া ব্যৱহাৰেও উৎপাদন কমি থকাত অৰিহণা যোগাইছে । উন্নত দেশৰ অভিজ্ঞতাৰ পৰা অভিজ্ঞতাই প্ৰমাণ কৰে যে উন্নত কাৰিকৰী কৌশলটো বাদেই কেৱল উন্নত মানৰ কঠিয়া ব্যৱহাৰ কৰি ১০ৰ পৰা ২০ শতাংশ কৃষি উৎপাদন বৃদ্ধি কৰিব পাৰি।

৭) **যথোপযুক্ত জলসিঞ্চনৰ সুবিধাৰ অভাৱ ঃ** ভাৰতৰ অধিকাংশ কৃষি ভূমিত পানীৰ যোগানৰ বাবে বতৰৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয় । স্বাধীনতাৰ পূৰ্বেই মুঠ কৃষি ভূমিৰ ১৮ শতাংশত জলসিঞ্চনৰ সুবিধা আছিল । স্বাধীনোত্তৰ কালত একাধিক আঁচনি গ্ৰহণ কৰা সত্বেও কেৱল ৩৩ শতাংশ কৃষি ভূমিতহে সম্প্ৰতি জলসিঞ্চনৰ সুবিধা আগবঢ়োৱাটো সম্ভৱ হৈছে। বতৰ নিৰ্ভৰশীলতাই কৃষকৰ মনত অস্থিৰতা আৰু অনিশ্চয়তা বৃদ্ধি কৰে । বতৰক থিয়াই কৃষি কাৰ্য সম্পন্ন কৰা অৱস্থাত কৃষি উৎপাদনশীলতা কমাটো স্বাভাৱিক । ২০০৩-০৪ চনৰ তথ্য অনুসৰি মাত্ৰ ৫২.৬ শতাংশ কৃষিভূমিত জলসিঞ্চনৰ সুবিধা

৮) **পাৰিপাৰ্শ্বিকতাৰ অৱনতি ঃ** পাৰিপাৰ্শ্বিকতাৰ অৱনতিৰ বাবে ভাৰতৰ জলবায়ুৰ আমূল পৰিৱৰ্তন ঘটিছে । শস্যৰোপন ঋতুত খৰাং আৰু অবতৰত বানপানী হোৱাটো এতিয়া নিয়মত পৰিণত হৈছে। ঠাইয়ে ঠাইয়ে মৰুভূকৰণৰ লক্ষণ ফুটি উঠিছে। দেশখনত বৃষ্টিছাঁয়া অঞ্চল বৃদ্ধি পাইছে। পাহাৰাঞ্চল বা ওখ ঠাইবোৰ অনাবৃত হোৱা বাবে ভূক্ষয়ীকৰণ প্ৰক্ৰিয়া বাঢ়ি নিম্নাঞ্চলৰ খেতি-পথাৰ অনুৰ্বৰ বালিৰে পোত খাইছে। পাৰিপাৰ্শ্বিকতাৰ অৱনতিয়ে এনেবোৰ অনিয়মৰ সূচনা কৰিও কৃষি উৎপাদিকা শক্তি হ্ৰাস হোৱাত সহায় কৰিছে ।

৯) **জলমগ্নতা *(Water logging)* ঃ** শস্য সম্পদৰ প্ৰসংগত ইতিমধ্যে পানীত আৱদ্ধ অৱস্থা বা জলমগ্নতাৰ বিষয়ে আলোচনা কৰা হৈছে। মাত্ৰাধিক জলসিঞ্চন, বানপানী আদিৰ বাবে জলমগ্নতাৰ উদ্ভৱ হয়। জলমগ্নতাই মাটিত বতাহ থাকিব পৰা সুৰুঙা নাইকিয়া কৰি গছ-গছনি গজা আৰু ডাঙৰ হোৱা পৰিৱেশৰ অৱসান ঘটায়। পৃষ্ঠভাগৰ পানী ভূগৰ্ভৰ পানীৰ লগত সংলগ্ন হৈ ভূমিৰ লৱনীকৰণ প্ৰক্ৰিয়া দ্ৰুত কৰি তোলে।

**লৱনীকৰণ *(Salinisation)* ঃ** ভূমি অধোগমনৰ আন এটা প্ৰধান কাৰণ হ'ল ভূমিৰ লৱনীকৰণ। জলমগ্নতা, জলসিঞ্চন ইত্যাদি কাৰণত ভূগৰ্ভত থকা লৱনযুক্ত উপাদান ভূ-পৃষ্ঠলৈ আহি ভূমিৰ গুণাগুণ হ্ৰাস কৰি সেউজ আৱৰণৰ বিকাশত বাধা জন্মায়। খাদ্য-শস্যৰ শিতানত ভূমিৰ লৱনীকৰণৰ বিষয়েও



Scanned with CamScanner

ইতিমধ্যে বহলাই আলোচনা কৰা হৈছে।

১১) অন্যান্য কাৰণ ঃ

১। প্ৰাকৃতিক দুৰ্যোগ - বানপানী, জন্তুৰ সংঘাত, খৰাং বতৰ।

২। শীতল মজুত গৃহৰ অভাৱ।

৩। উৎপন্নৰ ৩০ শতাংশ অনিষ্ট হয়।

৪। উৎপাদিত শস্যৰ ওপৰত উপভোক্তাই পৰিশোধ কৰা মূল্যৰ মাত্ৰ ১০ ৰ পৰা ২৩ শতাংশ কৃষকে পায়। মধ্যভোগীৰ ব্যাপক উফস্থিতি। উন্নত দেশত কৃষকে পোৱা মূল্য ৬৪ শতাংশৰ পৰা ৮১ শতাংশৰ ভিতৰত।

৫। ভূমিৰ উৎপাদনশীলতা কম। উদাহৰণস্বৰূপে প্ৰতি হেক্টৰ ভূমিত চীনে যিমান ধান উৎপাদন কৰিব পাৰে ভাৰতত তাৰ আধাহে সম্ভৱ হয়। ভাৰতৰ উপাদানৰ মুঠ উৎপাদনশীলতা ২ শতাংশ হোৱাৰ বিপৰীতে চীনৰ ৬ শতাংশ।

৬। ভাৰতৰ সকলো ৰাজ্যতে উৎপাদনশীলতা সমান নহয়। উৎপাদনশীলতাত থকা এই পাৰ্থক্যই দেশখনৰ সকলো অঞ্চলত কৃষি বুনিয়াদ আৰু কৃষিজ্ঞান, তথা কাৰিকৰী প্ৰযুক্তি সমানে বিতৰণ নোহোৱাটো প্ৰমাণ কৰে। ২.৩ নং তালিকাত বিহাৰ, কৰ্ণাটক আৰু পঞ্জাৱৰ মাজত কেইবিধমান শস্যৰ তুলনামূলক উৎপাদনশীলতা দেখুওৱা হৈছে।

তালিকা নং ২.৩ : শস্য উৎপাদনশীলতাৰ তুলনা
(প্ৰতি হেক্টৰত গড় কিলোগ্ৰাম হিচাপত)

| শস্য | বিহাৰ | কৰ্ণাটক | পঞ্জাৱ |
|---|---|---|---|
| ঘেহু | 2020 | - | 3880 |
| ধান | 1370 | 2380 | 3130 |
| মাহ | 610 | 470 | 820 |
| তৈলবীজ | 620 | 680 | 1200 |
| কুঁহিয়াৰ | 45510 | 79560 | 65300 |

উৎস ঃ *"Productivity Growth in Indian Agriculture : The Role of Globalization and Economic Reform" - Renuka Mahadevan, Asia Pacific Development Journal 10 (2) : 57-72*

৭। গড় কৃষিভূমিৰ আকাৰ ২ হেক্টৰতকৈ কম। ইয়াৰ প্ৰধান কাৰণ হ'ল ভূমিৰ অধিকাৰৰ উচ্চ সীমা নিৰ্ধাৰণ আৰু পৰিয়ালৰ বিভাজন।

৮। কৃষিভূমিত অত্যাধিক মানুহৰ হেঁচা পৰিছে৷ ৰ পৰা সেয়ে অদৃশ্য নিবনুৱা বৃদ্ধি পাইছে। পৰিণামস্বৰূপে



Scanned with CamScanner